জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নংঃ ৪৪২/২০২০

# ডিব্ৰুগড় জিলা টেনিচ ক্লাৱৰ শুভ উদ্বোধন কৰিলে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ২০ জুন ঃ** নৱ প্ৰজন্মৰ মাজত টেনিচ খেলক জনপ্ৰিয়কৰণৰ লক্ষ্যৰে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি অনুষ্টুপীয়াকৈ আয়োজিত এক অনুষ্ঠানৰ জৰিয়তে ডিব্ৰুগড় জিলা টেনিচ ক্লাৱ আনুষ্ঠানিকভাৱে শুভ উদ্বোধন কৰে। উল্লেখ্য যে ৬৫ লাখ টকা ব্যয়ৰে এই টেনিচ ক্লাৱৰ লগতে এখন অত্যাধুনিক টেনিচ ক'ৰ্টো উন্নীতকৰণ কৰা হৈছে। এই উপলক্ষে আয়োজিত অনুষ্ঠানত বক্তব্য প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই টেনিচ ক'ৰ্টে ডিব্ৰুগড়ত টেনিচ ক'ৰ্ট নিৰ্মাণৰ বাবে উত্থাপিত হৈ অহা বহুদিনীয়া দাবী এটা পূৰণ কৰিলে। মুখ্যমন্ত্ৰীয়ে উঠি অহা প্ৰজন্মক ক্ৰীড়াক এক মৰ্যাদা সম্পন্ন বৃত্তি হিচাপে গ্ৰহণ কৰাৰ বাবে আহ্বান জনোৱাৰ উপৰি পিতৃ-মাতৃ সকলকো তেওঁলোকৰ সন্তানসকলক ক্ৰীড়াৰ প্ৰতি ধাউতি বৃদ্ধি কৰিবলৈ আহ্বান জনায়।

বৰ্তমানৰ ৰাজ্য চৰকাৰখনে সমগ্ৰ ৰাজ্যখনতে ক্ৰীড়াৰ এক অনুকূল বাতাবৰণৰ সৃষ্টি কৰাৰ দিশত নিষ্ঠা সহকাৰে আত্মনিয়োগ কৰিছে বুলি উল্লেখ কৰি চাবুৱাত ক্ৰীড়া বিশ্ববিদ্যালয় স্থাপনৰ কাম পূৰ্ণ গতিত চলি আছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। এই বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য আৰু পঞ্জীয়ক ইতিমধ্যে নিয়োগ কৰা হৈছে বুলি উল্লেখ কৰি বিশ্ববিদ্যালয়খনৰ পাঠদান আৰম্ভ কৰাৰ বাবে যুদ্ধকালীনভাৱে প্ৰচেষ্টা অব্যাহত ৰখা হৈছে বুলিও তেওঁ কয়। গুৱাহাটীক দেশৰ ক্ৰীড়া ৰাজধানী আৰু অসমক ক্ৰীড়া হাব হিচাপে গঢ়ি তোলাৰ বাবে বৰ্তমানৰ ৰাজ্য চৰকাৰখনে লক্ষ্য নিৰ্দ্ধাৰণ কৰিছে বুলি উল্লেখ কৰি ইয়াৰ বাবে ৰাজ্যখনৰ কেবাটাও ক্ৰীড়া আন্তঃগাঁথনিৰ উন্নয়নৰ বাবে চৰকাৰে পদক্ষেপ লৈছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। তদুপৰি ইয়াৰ অংশ হিচাপে ৰাজ্যখনত কেইবাখনো ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ ক্ৰীড়া প্ৰতিযোগিতা সফলতাৰে অনুষ্ঠিত কৰা হৈছে বুলি তেওঁ কয়।

মুখ্যমন্ত্ৰীয়ে নৱ প্ৰজন্মৰ খেলুৱৈসকলক ক্ৰীড়াৰ প্ৰতি অধিক মনোযোগ দিয়াৰ বাবেও আহ্বান জনায়। আজি উদ্বোধন কৰা ডিব্ৰুগড় জিলা টেনিচ ক্লাৱে উজনি অসম বিশেষকৈ ডিব্ৰুগড়ত লন টেনিচৰ জনপ্ৰিয়তা বৃদ্ধিকৰণত বিশেষ ভাবে সহায় কৰিব বুলি মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে নতুন প্ৰজন্মৰ টেনিচ খেলুৱৈসকলক নিষ্ঠা সহকাৰে অনুশীলনত ব্ৰতী হোৱাৰ বাবেও আহ্বান জনায়। এই প্ৰসংগত মুখ্যমন্ত্ৰীয়ে কয় যে কঠোৰ অনুশীলন, নিয়মানুৱৰ্তিতা,কষ্টসহিষ্ণুতা ইত্যাদি দিশ সমূহ মানি চলি কঠোৰ অনুশীলনত ব্ৰতী হ'লেহে তেওঁলোকে খেলুৱৈ জীৱনত সফলতা লাভ কৰিব পাৰিব।

আজিৰ এই অনুষ্ঠানতে মুখ্যমন্ত্ৰীয়ে তৃণমূল পৰ্যায়ত টেনিচ খেলুৱৈসকলক প্ৰশিক্ষণ প্ৰদান কৰি অহা প্ৰশিক্ষক পংকজ কোঁৱৰক বিশেষভাৱে সম্বৰ্দ্ধনা জ্ঞাপন কৰে। মুখ্যমন্ত্ৰীয়ে লগতে উঠি অহা প্ৰজন্মৰ টেনিচ খেলুৱৈসকলৰ সৈতে লন টেনিচো খেলে।

আজিৰ এই অনুষ্ঠানত ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ ৰাজ্যিক মন্ত্ৰী যোগেন মোহন, ৰাজ্য সভাৰ সাংসদ কামাখ্যা প্ৰসাদ তাচা, মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামী, বিধায়কসকল ক্ৰমে প্ৰশান্ত ফুকন, চক্ৰধৰ গগৈ, ঋতুপৰ্ণ বৰুৱা, বিনোদ হাজৰিকা, বিমল বৰা, তেৰচ গোৱালা, সোণোৱাল কছাৰী স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য ডিপুৰঞ্জন মাক্ৰাৰী, ডিব্ৰুগড় জিলাৰ উপায়ুক্ত তথা ডিব্ৰুগড় জিলা টেনিচ ক্লাবৰ সভাপতি পল্লৱ গোপাল ঝা উপস্থিত থাকে।

**সুঃদঃ / সুঃমিঃকঃ**
**২০/০৬/২০২০**